আজাদী কা অমৃত মহোৎসৱ

# জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউ

চৰাইদেউ – ৭৮৫৬৯০

অসম

ফোন২৫৬০৭১-০৩৭৭২ : ই:মেইল- dlsacharaide@gmail.com

নং :জি:আ:সে:প্ৰা:৩৩/চৰাইদেউ/২০২৬/১৮৪

তাৰিখ : ১১ মাৰ্চ, ২০২৬

## বিজ্ঞাপন

চৰাইদেউ জিলা আইন সেৱা প্ৰাধিকৰণৰ অধীনত **অধিকাৰ মিত্ৰ (Para Legal Volunteer)** হিচাপে সেৱা আগবঢ়াবলৈ ইচ্ছুক চৰাইদেউ জিলাৰ স্থানীয় বাসিন্দাসকলৰ পৰা আবেদন পত্ৰ আহ্বান কৰা হৈছে। অধিকাৰ মিত্ৰ নিৰ্বাচনৰ বাবে আবেদনকাৰীসকলৰ নিম্নলিখিত যোগ্যতা থাকিব লাগিব—

১. আবেদনকাৰী ভাৰতৰ নাগৰিক হ'ব লাগিব আৰু চৰাইদেউ জিলাৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

২. আবেদনকাৰীৰ সামগ্ৰিক বুজাবুজিৰ ক্ষমতা থাকিব লাগিব আৰু সমাজৰ দুখীয়া, অৱহেলিত তথা অভাৱগ্ৰস্ত লোকসকলক সহায় কৰাৰ মানসিকতা থাকিব লাগিব। সামাজিক কাৰ্যকলাপৰ অভিজ্ঞতা থকা ব্যক্তিসকলক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

৩. যিসকল ব্যক্তিয়ে অধিকাৰ মিত্ৰ হিচাপে আগবঢ়োৱা সেৱাৰ পৰা লাভ কৰা আয়ৰ ওপৰত নিৰ্ভৰ নকৰে আৰু সমাজৰ দুখীয়া আৰু অভাৱগ্ৰস্ত লোকসকলক সহায় কৰাৰ মানসিকতাৰে সেৱা আগবঢ়াব বিচাৰে, তেনে ব্যক্তিক অধিকাৰ মিত্ৰ হিচাপে নিৰ্বাচনৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব।

৪. বিজ্ঞাপন প্ৰকাশৰ তাৰিখ অনুসৰি আবেদনকাৰীৰ ন্যূনতম বয়স ২১ বছৰ হ'ব লাগিব।

৫. অধিকাৰ মিত্ৰ সকলে তেওঁলোকৰ আগবঢ়োৱা সেৱাৰ বাবদ জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউৰ দ্বাৰা সময় সময়ত নিৰ্ধাৰিত নিয়ম অনুসৰি মাননি লাভ কৰিব।

৬. সম্পূৰ্ণকৈ পূৰণ কৰা আবেদন পত্ৰ **২০/০৩/২০২৬** তাৰিখৰ ভিতৰত **সচিব, জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউৰ** কাৰ্যালয়ত (কক্ষ নং–২৪, উপায়ুক্তৰ কাৰ্যালয় চৌহদ, পোষ্ট– সোনাৰী, জিলা– চৰাইদেউ, পিন– ৭৮৫৬৯০) জমা দিব লাগিব। আবেদনকাৰীয়ে আবেদন পত্ৰত মোবাইল/যোগাযোগ নম্বৰ উল্লেখ কৰাটো বাধ্যতামূলক।

৭. অসম্পূৰ্ণ আবেদন বাতিল কৰা হ'ব। আবেদন পত্ৰ জমা দিয়াৰ নিৰ্ধাৰিত শেষ তাৰিখৰ পিছত কোনো আবেদন গ্ৰহণ কৰা নহ'ব।

৮. সাক্ষাৎকাৰৰ বাবে প্ৰাৰ্থীৰ সংক্ষিপ্ত তালিকা প্ৰকাশ কৰা হ'ব আৰু অধিকাৰ মিত্ৰ নিৰ্বাচনৰ ক্ষেত্ৰত নিযুক্তি সমিতিৰ সিদ্ধান্তই চূড়ান্ত হ'ব। NALSA-ৰ পেৰা লিগেল ভলন্টিয়াৰ আঁচনি অনুসৰি নিৰ্বাচন সম্পন্ন কৰা হ'ব।

৯. নিৰ্বাচিত অধিকাৰ মিত্ৰ সকলে জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউৰ দ্বাৰা আয়োজন কৰা প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব।

১০. অধিকাৰ মিত্ৰ নিৰ্বাচন সন্দৰ্ভত কোনো আপত্তি উত্থাপিত হ'লে, জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউৰ অধ্যক্ষৰ সিদ্ধান্ত চূড়ান্ত আৰু সকলো পক্ষৰ বাবে বাধ্যতামূলক হ'ব।

১১. সাক্ষাৎকাৰৰ বাবে সংক্ষিপ্ত তালিকাভুক্ত প্ৰাৰ্থীৰ তালিকা চৰকাৰী নোটিচ ব'ৰ্ডত প্ৰকাশ কৰা হ'ব আৰু চৰাইদেউ জিলা ন্যায়ালয়ৰ চৰকাৰী ৱেবছাইটতো আপলোড কৰা হ'ব।

১২. কোনো প্ৰাৰ্থী প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰচাৰ (canvassing) কৰাত জড়িত হলে, তেওঁক অযোগ্য ঘোষণা কৰা হ'ব।

১৩. সাক্ষাৎকাৰ দিবলৈ অহা প্ৰাৰ্থীসকলক কোনো ভ্ৰমণ ভাত্তা (TA/DA) প্ৰদান কৰা নহ'ব।

11/03/2026

সচিব

জিলা আইন সেৱা প্ৰাধিকৰণ

চৰাইদেউ

Secretary
District Legal Services Authority
Charaideo

স্মাৰক নং :জি:আ:সে:প্ৰা:৩৩/চৰাইদেউ/২০২৬/৯৮৪-ক
প্ৰতিলিপি প্ৰেৰণ কৰা হ'লঃ

তাৰিখ : ১১ মাৰ্চ, ২০২৬

১. মাননীয় সদস্য সচিব, অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ (ASLSA), গুৱাহাটী – জ্ঞাতাৰ্থে।

২. মাননীয় জিলা আৰু সত্ৰ ন্যায়াধীশ তথা অধ্যক্ষ, জিলা আইন সেৱা প্ৰাধিকৰণ, চৰাইদেউ – জ্ঞাতাৰ্থে।

৩. জিলা তথ্য আৰু জনসংযোগ বিষয়া (DIPRO), চৰাইদেউ – এই বিজ্ঞপ্তিটো ব্যাপকভাৱে প্ৰচাৰৰ বাবে অনুৰোধ জনোৱা হ'ল।

৪. চিষ্টেম অফিচাৰ, চৰাইদেউ জিলা ন্যায়ালয় – চৰকাৰী ৱেবছাইটত আপলোড কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ।

৫. জাননী ফলক, জিলা আৰু সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়, চৰাইদেউ – অৱগত আৰু প্ৰয়োজনীয় ব্যৱস্থাৰ্থে।

11/03/2026

সচিব
জিলা আইন সেৱা প্ৰাধিকৰণ
চৰাইদেউ।

Secretary
District Legal Services Authority
Charaideo